# Regional News Unit

AKASHVANI, Guwahati

0000000000

**Date :** 03-06-2025
**Time :** 1715 Hrs

***Assamese Evening Bulletin***

***- - - - - - - - - - - - -***

○○○○○

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰা অসমৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ বুজ লয়। আজি আগবেলা প্ৰধানমন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ সৈতে হোৱা টেলিফোন বাৰ্তালাপত বানত ক্ষতিগ্ৰস্তসকলৰ সাহায্য আৰু পুনৰসংস্থাপনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে পূৰ্ণ সমৰ্থন আগবঢ়াব বুলি আশ্বাস দিয়ে। মুখ্যমন্ত্ৰী ড° শৰ্মাই অসম আৰু চুবুৰীয়া ৰাজ্যসমূহত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত সৃষ্টি হোৱা বান পৰিস্থিতি আৰু ৰাজ্যখনৰ বিভিন্ন অঞ্চলত পৰা ইয়াৰ প্ৰভাব সন্দৰ্ভত প্ৰধানমন্ত্ৰীক অৱগত কৰে। ৰাজ্য চৰকাৰে সম্ভৱপৰ সকলো ধৰণৰ সাহায্য বান পীড়িতক আগবঢ়োৱা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী মোদীক জনায়।

প্ৰধানমন্ত্ৰীয়ে ছিকিমৰ শোচনীয় বান পৰিস্থিতি সন্দৰ্ভতো ৰাজ্যখনৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙৰ সৈতে টেলিফোন যোগে কথা পাতে। শ্ৰী মোদীয়ে বান, ভূমিস্খলনৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ কবলত পৰা ৰাজ্যখনক সকলো ধৰণৰ সাহায্য আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। মুখ্যমন্ত্ৰী টামাঙে ইয়াৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীক কৃতজ্ঞতা জনায় কয়, পৰিস্থিতি চম্ভালিবৰ বাবে ৰাজ্য প্ৰশাসন সম্পূৰ্ণ প্ৰতিশ্ৰুতিবদ্ধ আৰু দুৰ্যোগৰ কবলত পৰা লোকসকলক সকলো ধৰণৰ প্ৰয়োজনীয় সাহায্য আগবঢ়োৱা হৈছে।

○○○○○

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহা ছেপ্তেম্বৰ মাহৰ প্ৰস্তাৱিত দৰং জিলা ভ্ৰমণ সন্দৰ্ভত ৰাজ্যৰ পৰিৱেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়াই কালি মঙলদৈত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত অহা ৮ ছেপ্তেম্বৰত কুৰুৱা-নাৰেংগী দলং আৰু গুৱাহাটী ৰিং ৰোডৰ আধাৰশিলা স্থাপন উপলক্ষে প্ৰধানমন্ত্ৰীৰ কাৰ্যসূচী সম্পৰ্কত আলোচনা কৰা হয়। এই সভাৰ স্থান নিৰ্ধাৰণ কৰাৰ বাবে এখন সমিতি গঠন কৰিবলৈকো কালিৰ বৈঠকে সিদ্ধান্ত গ্ৰহণ কৰে। একেখন বৈঠকতে দৰং জিলাত বান পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাকৈ প্ৰশাসনে গ্ৰহণ কৰা প্ৰস্তুতি সন্দৰ্ভতো আলোচনা কৰা হয়। বৈঠকত কমলপুৰৰ বিধায়ক দিগন্ত কলিতা, ৰঙিয়াৰ বিধায়ক ভবেশ কলিতা, ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, মঙলদৈৰ বিধায়ক বসন্ত দাস, ৰাজ্যিক মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতি আৰু জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলে অংশগ্ৰহণ কৰে।

○○○○○

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বৰাক উপত্যকাৰ বান পৰিস্থিতি পৰ্যবেক্ষণ কৰি বানপীড়িত জনসাধাৰণৰ বিভিন্ন সমস্যাৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ বানৰ কৱলত পৰা কেইবাটাও এলেকা পৰিদৰ্শন কৰাৰ উপৰি চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়, নৰ্মাল স্কুল, কেন্দ্ৰীয় বিদ্যালয়, কচমিক মাৰ্কেট মালিনী বিল, উকিল বজাৰ নিম্ন প্ৰাথমিক বিদ্যালয় আৰু

হিৰণপ্ৰভা দেৱ শিশু মন্দিৰত আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে। তেওঁ বানপীড়িত লোকসকলৰ সমস্যাসমূহ সমাধানৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে আৰু জিলা আয়ুক্তক যাৱতীয় সামগ্ৰী আৰু চিকিৎসাৰ ক্ষেত্ৰত সহায় নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী শৰ্মাই বৰাক নদীৰ সমীপৱৰ্তী তাৰাপুৰ শিৱবাৰী ৰোডৰ ক্ষতিগ্ৰস্ত এলেকা পৰিদৰ্শন কৰি প্ৰয়োজনীয় সুৰক্ষামূলক পদক্ষেপ সন্দৰ্ভত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ সৈতে আলোচনা কৰে।

ড০ শৰ্মাই কাছাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত বান পৰিস্থিতি সন্দৰ্ভত এখন সংবাদমেলতো ভাগ লয়। জিলাখনত সাম্প্ৰতিক বানত ক্ষতিগ্ৰস্ত হোৱা ১৯ হাজাৰৰো অধিক লোক ৯০টা শিবিৰত আশ্ৰয় লৈ আছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এই সময়ছোৱাত নিজৰ ঘৰত থাকিবলৈ বিচৰা লোকসকলকো প্ৰয়োজনীয় সাহায্য দিয়া হৈছে আৰু খহনীয়া ৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০

সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আজি মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ বাবে বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ উপৰি সংশ্লিষ্ট শিক্ষানুষ্ঠানৰ মুৰব্বীসকলক সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানতে কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ভাস্বত শইকীয়া আৰু ধৃতিৰাজ মিশ্ৰকো সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননীগোপাল মহন্ত আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক জিতেন হাজৰিকা মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০০

দীপেন বড়ো আৰু খনীন্দ্ৰ বসুমতাৰী আৰু এটা কাৰ্যকালৰ বাবে নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি আৰু সম্পাদকৰূপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। আজি কোকৰাঝাৰৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ জাওলাও নীলেশ্বৰ ব্ৰহ্ম প্ৰেক্ষাগৃহত অনুষ্ঠিত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক প্ৰতিনিধি সভাত সংগঠনটোৰ নতুন কেন্দ্ৰীয় সমিতিখন নিৰ্বাচন কৰা হয়।

০০০০০

বাক্সা জিলাৰ শালবাৰীত আজি সমষ্টিটোৰ পাৰিষদ জয় মুছাহাৰীয়ে দুটা পথৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীৰ Good Will আঁচনিৰ অধীনত এই পথ দুটা শালবাৰী পৰিষদীয় সমষ্টিৰ গোৱৰ্ধনা আনন্দবজাৰ গড়কাপ্টানী পথৰ পৰা কৈমাৰীলৈ আৰু মৈৰাজাৰ চ'কৰ পৰা মৈৰাজাৰ গাঁৱলৈ নিৰ্মাণ কৰা হ'ব। পথ দুটা নিৰ্মাণৰ বাবে লোক নিৰ্মাণ বিভাগে ইতিমধ্যে ৪ কোটি টকা আবণ্টন দিছে।

০০০০০

সমাপ্ত